**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 19-10-2024
**Time :** 1340 Hrs

***Assamese Midday Bulletin***

---------------------------------------------

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি তিনিদিনীয়া মলাৱি ভ্ৰমণৰ অন্তিম দিনা গুৰুত্বপূৰ্ণ বিভিন্ন সাংস্কৃতিক স্থান পৰিদৰ্শন কৰিব।

২। বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে কৈছে যে ভাৰত আৰু মেক্সিক'ৰ মাজত বিভিন্ন ক্ষেত্ৰত ব্যাপক সহযোগিতাৰ সম্ভাৱনা আছে।

৩। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানে পখিলা সংৰক্ষণৰ ক্ষেত্ৰত দেশৰ ভিতৰতে দ্বিতীয় স্থান দখল কৰিছে।

৪। বিহাৰৰ বাংকা জিলাত কালি সন্ধিয়া হোৱা এটা পথ দুৰ্ঘটনাত ৬জন লোকৰ মৃত্যু হোৱাৰ লগতে ১০জন লোক আঘাতপ্ৰাপ্ত হৈছে।

**আৰু**

৫। ভাৰতে নিউজিলেণ্ডৰ বিৰুদ্ধে বাংগালুৰুত অনুষ্ঠিত তিনিখনীয়া টেষ্ট ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেলৰ আজি চতুৰ্থ দিনা  দুপৰীয়াৰ আহাৰ গ্ৰহণৰ সময়লৈকে ৩ উইকেটত ৩৪৪ ৰাণ সংগ্ৰহ কৰিছে। ০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি তিনিদিনীয়া মলাৱি ভ্ৰমণৰ অন্তিম দিনা গুৰুত্বপূৰ্ণ বিভিন্ন সাংস্কৃতিক স্থান পৰিদৰ্শন কৰিব। ৰাষ্ট্ৰপতিয়ে কালি মলাৱিৰ ৰাষ্ট্ৰপতি লজাৰছ ছাক্‌ৱেৰাৰ সৈতে দ্বিপাক্ষিক আলোচনাত মিলিত হয়। ভাৰত আৰু মলাৱিয়ে প্ৰতিনিধি পৰ্যায়ৰ আলোচনাৰ অন্তত বিভিন্ন খণ্ডত সহযোগিতাৰ বাবে ৪ খন বুজাবুজিৰ চুক্তিও স্বাক্ষৰ কৰে। আলজেৰিয়া আৰু ম'ৰিটেনিয়াৰ সফল ভ্ৰমণ সামৰি ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মু বৃহস্পতিবাৰে মলাৱিত উপস্থিত হয়। উল্লেখযোগ্য যে শ্ৰীমতী মুৰ্মু আফ্ৰিকাৰ এই তিনিখন দেশ ভ্ৰমণ কৰা প্ৰথমগৰাকী ভাৰতীয় ৰাষ্ট্ৰপতি।

০০০০০০০

বিদেশ ৰাজ্যমন্ত্ৰী পৱিত্ৰ মাৰ্ঘেৰিটা আজি দুদিনীয়া ভ্ৰমণসূচীৰে ইণ্ডোনেছিয়ালৈ যাব। তেওঁ কাইলৈ দেশখনৰ ৰাজধানী জাকাৰ্টাত ৰাষ্ট্ৰপতি প্ৰবোৱো সুবিয়াণ্টো আৰু উপ-ৰাষ্ট্ৰপতি জিব্ৰান ৰাকাবুমিং ৰাকাৰ শপতগ্ৰহণ অনুষ্ঠানত অংশগ্ৰহণ কৰিব। ভাৰত আৰু ইণ্ডোনেছিয়াই এইবছৰ দুয়োখন দেশৰ মাজত কূটনৈতিক সম্পৰ্ক স্থাপনৰ ৭৫ বছৰ আৰু ভাৰতৰ পূব এছিয়াৰ দেশসমূহক গুৰুত্ব প্ৰদানৰ এক্ট ইষ্টৰ নীতিৰ এটা দশক সম্পূৰ্ণ হোৱাৰ উদযাপন কৰিছে। ইণ্ডোনেছিয়া এক্ট ইষ্টৰ নীতিৰ এটা গুৰুত্বপূৰ্ণ স্তম্ভ। বিদেশ মন্ত্ৰ্যালয়ে কৈছে যে শপতগ্ৰহণ অনুষ্ঠানত শ্ৰীমাৰ্ঘেৰিটাৰ অংশগ্ৰহণে ভাৰত আৰু ইণ্ডোনেছিয়াৰ মাজৰ সৰ্বাত্মক কৌশলগত সহযোগিতা অধিক শক্তিশালী কৰাৰ প্ৰতি ভাৰতৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ কথাকে সূচাইছে।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত কৰ্মযোগী ৰাষ্ট্ৰীয় শিক্ষণ সপ্তাহৰ শুভাৰম্ভ কৰিব। এই সপ্তাহৰ সময়ছোৱাত প্ৰত্যেকগৰাকী চৰকাৰী কৰ্মচাৰীয়ে ৪ ঘণ্টাৰ পাঠ্যক্ৰম সম্পূৰ্ণ কৰিব লাগিব। ইয়াৰ ফলত ব্যক্তিগত অংশগ্ৰহণকাৰীৰ উপৰি বিভিন্ন মন্ত্ৰালয়, বিভাগ আৰু সংগঠনৰ সামৰ্থ্যৰ বিকাশ ঘটিব।

বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে কৈছে যে ভাৰত আৰু মেক্সিক'ৰ মাজত বিভিন্ন ক্ষেত্ৰত ব্যাপক সহযোগিতাৰ সম্ভাৱনা আছে। ভাৰত-মেক্সিক' বাণিজ্য আৰু বিনিয়োগ সন্মিলনত তেওঁ কয় যে বিশেষকৈ ঔষধ উৎপাদন আৰু অট'মটিভ ক্ষেত্ৰত ভাৰতৰ যথেষ্ট সম্ভাৱনা আছে। শ্ৰীমতী সীতাৰমণে কয় যে ভাৰতে ডিজিটেল অৰ্থব্যৱস্থাৰ ক্ষেত্ৰত গোলকীয় স্তৰত বিশেষ পাৰদৰ্শিতা দেখুৱাই আছে তথা ফিনটেক আৰু ডিজিটেল পেমেণ্টৰ ক্ষেত্ৰত উদ্ভাৱনৰ বাবে ভাৰত আৰু মেক্সিক'ৰ মাজত বিনিয়োগে বৃহৎ সুযোগ প্ৰদান কৰিব। শ্ৰীমতী সীতাৰমণে মেক্সিক'ৰ বিত্ত সচিবকো সাক্ষাৎ কৰে আৰু ভাৰতত ডিজিটেল ৰূপান্তৰ সম্পৰ্কীয় সহযোগৰ নতুন ক্ষেত্ৰ বিচাৰি উলিয়াবলৈ ইচ্ছা প্ৰকাশ কৰে।

০০০০০

ৰাজ্যৰ ৫টা বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে অধিসূচনা জাৰি কৰা হৈছে। ইয়াৰ লগে লগে সমষ্টিকেইটাত মনোনয়ন পত্ৰ দাখিলৰ প্ৰক্ৰিয়া আৰম্ভ হৈছে। গুৱাহাটীত কালি সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত মুখ্য নিৰ্বাচনী বিষয়া অনুৰাগ গোৱেলে কয় যে, সীমা নিৰ্ধাৰণৰ পূৰ্বৰ সমষ্টি ক্ষেত্ৰ অনুসৰি এই উপ-নিৰ্বাচন অনুষ্ঠিত হ'ব। তেওঁ লগতে ভোটদাতাসকলে ভোটাৰ পৰিচয় পত্ৰৰ বিষয় লৈ চিন্তিত হোৱাৰ প্ৰয়োজন নাই বুলি স্পষ্ট কৰি দিয়ে, কিয়নো নিৰ্বাচনৰ দিনা পুৰণি আৰু নতুন ভোটাৰ পৰিচয় পত্ৰ ব্যৱহাৰৰ অনুমতি দিয়া হ'ব। উপ-নিৰ্বাচনত ৯ লাখৰো অধিক ভোটদাতাই গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰিব বুলি শ্ৰীগোৱেলে প্ৰকাশ কৰে।

০০০০

কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানে আজি নতুন দিল্লীত ৰাষ্ট্ৰীয় ৰবি কৃষি সন্মিলন উদ্বোধন কৰিব। এই এদিনীয়া সন্মিলনত কৃষি আৰু কৃষক কল্যাণ ৰাজ্য মন্ত্ৰী ৰামনাথ ঠাকুৰো উপস্থিত থাকিব। সফল ৰবি অভিযান সুনিশ্চিত কৰাৰ বাবে কৃষি প্ৰণালীত সহযোগিতা আৰু উদ্ভাৱণৰ প্ৰসাৰেই এই সন্মিলনৰ মূল উদ্দেশ্যে। সন্মিলনত বিভিন্ন মন্ত্ৰালয়, ৰাজ্য, কেন্দ্ৰীয় শাসিত অঞ্চল আৰু সংগঠনৰ বিষয়াসকলে আসন্ন ৰবি শস্য বৰ্ষৰ বাবে গ্ৰহণ কৰিবলগীয়া উদ্যম আৰু ৰণনীতি সম্পৰ্কে আলোচনা কৰিব।

০০০০০

কালি দক্ষিণ কাশ্মীৰৰ চ'পিয়ান জিলাৰ এখন গাঁৱত সন্ত্ৰাসবাদীয়ে এজন ব্যৱসায়ীক হত্যা কৰাৰ ঘটনাটো জম্মু-কাশ্মীৰৰ উপ ৰাজ্যপাল মনোজ সিনহাই গৰিহণা দিছে। নিহত অশোক চৌহান বিহাৰৰ বাসিন্দা আছিল। প্ৰেছ বিবৃতিযোগে উপ ৰাজ্যপাল সিনহাই প্ৰকাশ কৰে যে নিৰাপত্তাবাহিনীয়ে অতি সোনকালে দোষীক কৰায়ত্ত কৰি তেওঁৰ পৰিয়ালটোক ন্যায় প্ৰদান কৰিবলৈ বদ্ধপৰিকৰ। শ্ৰীসিনহাই জম্মু-কাশ্মীৰৰ আৰক্ষী তথা জিলা প্ৰশাসনক নিহত চৌহানৰ পৰিয়ালটোক সকলোধৰণৰ সহায়-সহযোগিতা আগবঢ়াবলৈ নিৰ্দেশ দিছে। মুখ্যমন্ত্ৰী ওমৰ আব্দুলায়ো এই সন্ত্ৰাসবাদী কাণ্ডক গৰিহণা দি শোকসন্তপ্ত পৰিয়ালটোলৈ সমবেদনা জ্ঞাপন কৰিছে।

০০০০০

পখিলা সংৰক্ষণৰ ক্ষেত্ৰত দেশৰ ভিতৰতে দ্বিতীয় স্থান দখল কৰি বিশ্ব ঐতিহ্য ক্ষেত্ৰ কাজিৰঙাই আন এক গৌৰৱ কঢ়িয়াই আনিছে। শেহতীয়াকৈ যোৱা ২৭ ছেপ্তেম্বৰৰ পৰা কাজিৰঙাত প্ৰথমবাৰৰ বাবে তিনিদিনীয়াকৈ অনুষ্ঠিত হোৱা পখিলা সংৰক্ষণ সন্মিলনত প্ৰকাশিত তথ্য অনুযায়ী কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানে পখিলা সংৰক্ষণৰ ক্ষেত্ৰত সমগ্ৰ দেশৰ ভিতৰত দ্বিতীয় স্থান দখল কৰিবলৈ সক্ষম হৈছে। ইয়াৰ বিপৰীতে অৰুণাচল প্ৰদেশৰ নামদফা ৰাষ্ট্ৰীয় উদ্যান সৰ্বাধিক প্ৰজাতিৰ পখিলা সংৰক্ষণৰ ক্ষেত্ৰত দেশৰ ভিতৰতে প্ৰথম স্থান দখল কৰিছে। উল্লেখযোগ্য যে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান আৰু কাষৰীয়া এলেকাত ৪৪৬ বিধ প্ৰজাতিৰ পখিলাৰ তথ্য পোৱা গৈছে। পখিলা সংৰক্ষণ সন্মিলনত নৰ্থ ইষ্টাৰ্ন হিল ইউনিভাৰচিটি, কটন বিশ্ববিদ্যালয় , মহাৰাষ্ট্ৰ বন বিভাগ, দ্যা কৰবেট ফাউণ্ডেচন আৰু নৰ্থ ইষ্ট বাটাৰফ্লাই গ্ৰুপৰ প্ৰায় ৪০ গৰাকী পখিলা সন্দৰ্ভত গৱেষণা কৰা প্ৰকৃতিবিদে অংশগ্ৰহণ কৰিছিল। এই বৈঠকৰ সময়ছোৱাত মুঠ ৯০ টা প্ৰজাতিৰ পখিলা দেখা গৈছিল।

ooooo

জম্মু-কাশ্মীৰৰ উপৰাজ্যপাল মনোজ সিনহাই নেশ্যনেল কংগ্ৰেছৰ জ্যেষ্ঠ নেতা মোবাৰক গুলক জম্মু - কাশ্মীৰ বিধানসভাৰ প্ৰটেম সদস্য হিচাপে শপত গ্ৰহণ কৰোৱায়। শ্ৰীগুলে শ্ৰীনগৰৰ ইদগাহ সমষ্টিৰ পৰা বিধানসভা নিৰ্বাচনত জয়ী হৈছিল। তেওঁ আজি শ্ৰীনগৰ ৰাজভৱনত আয়োজিত এটা অনুষ্ঠানত শপত গ্ৰহণ কৰে। শপত গ্ৰহণ অনুষ্ঠানত মুখ্যমন্ত্ৰী ওমৰ আব্দুলা, উপমুখ্যমন্ত্ৰী সুৰিন্দৰ চৌধাৰী, কেবিনেট মন্ত্ৰী চকিনা ইয়াটু, জাভেদ দৰ, জাভেদ ৰাণা আৰু সতীশ শৰ্মাও উপস্থিত থাকে।

ooooo

বিহাৰৰ বাংকা জিলাত কালি সন্ধিয়া হোৱা এটা পথ দুৰ্ঘটনাত ৬জন লোকৰ মৃত্যু হোৱাৰ লগতে ১০জন লোক আঘাতপ্ৰাপ্ত হৈছে। আৰক্ষীৰ সূত্ৰ অনুসৰি ফুলিডুমা থানা এলেকাৰ অন্তৰ্গত নগৰদিহৰ সমীপত এখন তীব্ৰবেগী ট্ৰাকে এদল তীৰ্থযাত্ৰী কঢ়িওৱা এখন বাহনত খুন্দা মৰাৰ ফলত দুৰ্ঘটনাটো সংঘটিত হয়। তীৰ্থযাত্ৰীসকলে চুলতানগঞ্জৰ পৰা পবিত্ৰ গংগাৰ পানী সংগ্ৰহ কৰি গৌৰনাথ মন্দিৰলৈ লৈ গৈ আছিল। আহতসকলক ভগলপুৰৰ এখন চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছে।

ooooo

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে অহা দুই তিনি দিনত তামিলনাডু, পুডুচেৰী, কৰ্ণাটকে ধৰি দেশৰ দক্ষিণ অংশত প্ৰচণ্ড বৰষুণৰ আগজাননী জাৰি কৰিছে। বিভাগটোৱে কাইলৈ আৰু অহা সোমবাৰেও আন্দামন আৰু নিকোবৰ দ্বীপপুঞ্জতো একেধৰণৰ পৰিস্থিতিৰ বিষয়ে প্ৰকাশ কৰিছে। গেংগেটীক পশ্চিমবংগ আৰু উৰিষাতো চলিত মাহৰ ২৩ আৰু ২৪ তাৰিখে প্ৰচণ্ড বৰষুণৰ সম্ভাৱনা আছে। বতৰ বিজ্ঞান বিভাগে প্ৰকাশ কৰা জাননী অনুসৰি দেশৰ উত্তৰ পশ্চিম, পশ্চিম, মধ্য আৰু উত্তৰ-পূৰ অঞ্চলত বৰষুণ হোৱাৰ সম্ভাৱনা নাই।

oooo

ভাৰতে নিউজিলেণ্ডৰ বিৰুদ্ধে বাংগালুৰুত অনুষ্ঠিত তিনিখনীয়া টেষ্ট ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেলৰ আজি চতুৰ্থ দিনা ৩ উইকেটৰ বিনিময়ত কালি সংগ্ৰহ কৰা ২৩১ ৰানৰ পৰা দ্বিতীয় ইনিংছৰ খেল আৰম্ভ কৰি দুপৰীয়াৰ আহাৰ গ্ৰহণৰ সময়লৈকে ৩ উইকেটত ৩৪৪ ৰাণ সংগ্ৰহ কৰিছে। বৰষুণৰ বাবে আগতীয়াকৈ দুপৰীয়াৰ আহাৰ গ্ৰহণ কৰাৰ সময়লৈকে ছৰফৰাজ খানে ১২৫ আৰু ঋষভ পণ্টে ৫০ ৰাণ কৰি খেলি আছে।

ভাৰত এতিয়াও নিউজিলেণ্ডৰ প্ৰথম ইনিংছতকৈ ১২ ৰানত পাছ পৰি আছে। নিউজিলেণ্ড হৈ আজাছ পেটেলে দুটা উইকেট দখল কৰাৰ বিপৰীতে গ্লেন ফিলিপছে এটা উইকেট দখল কৰে।

০০০০০

আৰ্চাৰী বিশ্বকাপ ফাইনেল-২০২৪ আজিৰে পৰা মেক্সিক'ত আৰম্ভ হ'ব। এছিয়ান গেমছত সোণৰ পদক বিজেতা ভাৰতৰ জ্যোতি সুৰেখা ৱেন্নাম, অলিম্পিক খেলুৱৈ দীপিকা কুমাৰী আৰু ধীৰজ বম্মাদেৱাৰা, প্ৰিয়ান্স আৰু প্ৰথমেশ ফুগেই এই প্ৰতিযোগিতাত অংশগ্ৰহণ কৰে। পুৰুষৰ ব্যক্তিগত কম্পাউণ্ড শাখাৰ খেলসমূহ ভাৰতীয় সময় অনুসৰি আজি নিশা চাৰে ৯ বজাৰ আৰম্ভ হ'ব। এই প্ৰতিযোগিতাত মুঠ ৩২ গৰাকী ধনুৰ্বিদে অংশগ্ৰহণ কৰিব। বিভিন্ন শিতানসমূহ হ'ল ৰিকাৰ্ভ পুৰুষ আৰু মহিলা তথা কম্পাউণ্ড পুৰুষ আৰু মহিলা। প্ৰত্যেক শিতানত ৮গৰাকীকৈ ধনুৰ্বিদে অংশগ্ৰহণ কৰিব। উল্লেখযোগ্য যে এইখন হৈছে এইবছৰৰ অন্তিমখন আন্তঃৰাষ্ট্ৰীয় প্ৰতিযোগিতা।

০০০০

সমাপ্ত